**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-11-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**----------------------**

ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰ্যালয়ে এহেজাৰ ১০ কোটি টকা বিনিয়োগ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে চলিত শীতকালীন সংসদৰ অধিবেশনত এইকথা প্ৰকাশ কৰিছে। লগতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সাগৰমালা আঁচনিৰ অধীনত ৯৬ দশমিক ৬০ কোটি টকা বিনিয়োগেৰে মাজুলীত নতুন শ্লিপৱেৰ অনুমোদন  কৰাৰ কথাও উল্লেখ কৰে। ইতিমধ্যে বিত্ত মন্ত্ৰ্যালয়ৰ বিত্তীয় বিভাগৰ দ্বাৰা এই সন্দৰ্ভত নীতিগত অনুমোদন জনোৱা হৈছে। কাৰ্গো, যাত্ৰী চলাচল আৰু নদী পৰ্যটনৰ বাবে ব্ৰহ্মপুত্ৰৰ আভ্যন্তৰীণ জলপথ আন্তঃগাঁথনি উন্নয়নৰ অংশ হিচাপে ১২টা ফ্ল'টিং টাৰ্মিনেল, পাণ্ডু আৰু যোগীঘোপাত দুটা মাল্টিম'ডেল টাৰ্মিনেল,বগীবিল আৰু ধুবুৰীত দুটা স্থায়ী টাৰ্মিনেলৰ নিৰ্মাণ কৰা হ'ব বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে।

০০০০০০

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই জানিবলৈ দিছে, যে বৰ্তমানলৈ প্ৰায় ১৫ জন জিলা আয়ুক্তই এটাকৈ জলজীৱন মিছন আঁচনিৰ দায়িত্ব গ্ৰহণ কৰিছে। কামৰূপ মহানগৰ, ডিব্ৰুগড়, মাজুলী, চৰাইদেউ, গোলাঘাট, ধুবুৰী, হাইলাকান্দি, দৰং আৰু ধেমাজিৰ জিলা আয়ুক্তই নিজৰ এলেকাত এটাকৈ জলজীৱন মিছন আঁচনিৰ দায়িত্ব গ্ৰহণ কৰাৰ লগতে নলযোগে বিশুদ্ধ খোৱাপানী যোগান আঁচনি পৰিদৰ্শন কৰে। এই প্ৰচেষ্টাৰ অংশ হিচাপে সাংসদ আৰু বিধায়কসকলক এটাকৈ আঁচনিৰ দায়িত্ব গ্ৰহণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনাইছে। জলজীৱন মিছনৰ সৈতে জড়িত অভিযন্তাসকলে ইতিমধ্যে এটাকৈ আঁচনিৰ দায়িত্ব গ্ৰহণ কৰিছে বুলি তেওঁ লগতে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে এনেধৰণৰ সামূহিক প্ৰচেষ্টাই ভৱিষ্যতে পানী ব্যৱহাৰকাৰী সমিতিসমূহক সঠিকভাৱে কাম কৰি যোৱাত সহায় কৰিব। তিনিচুকীয়াতো জিলা আয়ুক্ত স্বপ্নীল পালে বৰডুবি গাঁও পঞ্চায়তৰ অন্তৰ্গত কুঁৱৰী পথাৰ পানীযোগান আঁচনিৰ উপভোক্তা সমিতিৰ পৰামৰ্শদাতা হিচাপে দায়িত্ব গ্ৰহণ কৰে। আয়ুক্তগৰাকীয়ে আজি আঁচনিখন পৰিদৰ্শনৰ কৰাৰ লগতে উপভোক্তাসকলৰ সৈতে আলোচনাত মিলিত হয়।

০০০০০০

কেন্দ্ৰীয় চৰকাৰ আৰু এছিয়ান ডেভলপমেণ্ট বেংক ADBয়ে উদ্যান শস্যৰ সৈতে জড়িত খেতিয়কসকলৰ বাবে ৯ কোটি ৮০ লাখ ডলাৰৰ ঋণ বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিছে। এই চুক্তিয়ে কৃষকসকলক ৰোগমুক্ত, প্ৰমাণিত গছ পুলি ৰোপন সামগ্ৰী প্ৰদান কৰা হ'ব আৰু তেওঁলোকৰ কৃষিজাত সামগ্ৰীৰ উৎপাদকতা, গুণগতমান আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱৰ সৈতে মোকাবিলা কৰাত সহায় কৰিব। অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ যুটীয়া সচিব জুহি মুখাৰ্জী আৰু এছিয়ান ডেভলপমেণ্ট বেংকৰ ইণ্ডিয়া ৰেচিডেণ্ট মিছনৰ দায়িত্বত থকা বিষয়া কাই ৰেই

য়েঅ'ই এই চুক্তিত স্বাক্ষৰ কৰিছে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমুখাৰ্জীয়ে কয়, যে এছিয়ান ডেভলপমেণ্টৰ পুঁজিয়ে কৃষকৰ উৎপাদনশীলতা বৃদ্ধিত সহায় কৰিব।

oooooo

যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ত কালি উপ-ৰাষ্ট্ৰীয় প্ৰতিষেধক দিৱস সন্দৰ্ভত জিলা টাস্ক ফ'ৰ্চৰ প্ৰথম পৰ্যায়ৰ এখন বৈঠক অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত আৰু স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ উপস্থিতিত সভাখনত জিলাখনত পালছ্ পলিঅ' প্ৰদান কৰা বিষয়ক লৈ আলোচনা অনুষ্ঠিত হয়।

oooooo

তিনিচুকীয়া জিলাৰ মাকুমত কালি দ্বিতীয় অসম আৰক্ষী বাহিনীৰ মুখ্য কাৰ্যালয়ৰ সমীপত সংঘটিত অগ্নিকাণ্ডত তিনিখন ক্ষুদ্ৰ ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত হোৱাৰ লগতে আন দুখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ সামান্য ক্ষয়-ক্ষতি হয়। ব্যৱসায়িক প্ৰতিষ্ঠানকেইখনৰ সমীপত জ্বলি থকা শুকান জাৱৰৰ দ'মৰ পৰা এই অগ্নিকাণ্ডৰ সূত্ৰপাত হৈ বুলি স্থানীয় ৰাইজে জনাইছে। ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হোৱাৰ পূৰ্বেই স্থানীয় ৰাইজে জুই নিৰ্বাপন কৰে।

oooooo

লখিমপুৰ জিলা কবি সন্মিলনৰ অন্তৰ্গত সোৱণশিৰি শাখা কবি সন্মিলনে আয়োজন কৰা অসম ভিত্তিক অনলাইন কবিতা প্ৰতিযোগিতাৰ কালি ফলাফল ঘোষণা কৰা হয়। প্ৰতিযোগিতাখনত প্ৰথম স্থান লাভ কৰিছে মৈদমীয়া পদ্মানগৰ পথৰ দীপালী বৰুৱা, দ্বিতীয় স্থান লাভ কৰি নগাঁৱৰ বিশ্বজিৎ বৰা আৰু তৃতীয় স্থান লাভ কৰিছে উত্তৰ লখিমপুৰ কলেজৰ ছাত্ৰ দেৱকান্ত বৰুৱাই। বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হ'ব বুলি সোৱণশিৰি শাখা কবি সন্মিলনৰ সভাপতিদ্বয় জ্যোতিকমল বৰা আৰু পত্ৰিকা সম্পাদক জগদীশ দত্তই জনাইছে।

oooooo

সমাপ্ত